*Total number of printed pages–7*

**63/2 (SEM–1) ASMADL14034/ASM103**

**2025**

# ASSAMESE

(Core)

Paper : ASMADL14034

## *[History of Literary Criticism (East and West)]*

*Full Marks : 70*

*Pass Marks : 28*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

## 'ক' অংশ

*( প্ৰাচ্য সমালোচনা )*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×৩=৩

(ক) ধ্বন্যালোকৰ কৰ্তা কোন?

*(i)* কালিদাস

*(ii)* আনন্দবৰ্ধন

*(iii)* হৰ্ষবৰ্ধন

*(iv)* কুন্তক

(খ) তলৰ কোনটো ৰূঢ়ি লক্ষণৰ উদাহৰণ?

*(i)* ৰঙা কাপোৰ

*(ii)* গংগাত গুৱাল গাওঁ

*(iii)* ল'ৰাটো গৰু

*(iv)* মোৰ ঘৰটো বাটতে পৰে

(গ) বাচ্য অৰ্থৰ আন এটা নাম—

*(i)* বিবক্ষিতান্যপৰ বাচ্য

*(ii)* অভিধেয় অৰ্থ

*(iii)* সংসৃষ্ট অৰ্থ

*(iv)* অতিশয়োক্তি

২। চমু উত্তৰ লিখা : *(যিকোনো তিনিটা)* ৬×৩=১৮

(ক) ব্যভিচাৰী ভাৱৰ সংজ্ঞাসহ বিভাগবোৰৰ পৰিচয় দিয়া।

(খ) বিভাৱ ভাগ দুটা উল্লেখ কৰি প্ৰতিটো বিভাগৰে সংজ্ঞা উদাহৰণসহ প্ৰস্তুত কৰা।

(গ) উৎপত্তিবাদ কাক বোলে? এই মতবাদৰ প্ৰবৰ্তকজনে ৰসৰ পৰিপুষ্টিৰ প্ৰসংগত কৰৈলে বিচৰা কথাখিনি আলোচনা কৰা।



(ঘ) ব্যঞ্জনা শক্তি সম্পৰ্কে এটি চমু আলোচনা আগবঢ়োৱা।

(ঙ) সাহিত্যত উপলব্ধ নৱৰস কি? প্ৰতিবিধৰে স্থায়ীভাৱবোৰ উল্লেখ কৰি *যিকোনো তিনি* প্ৰকাৰৰ স্থায়ীভাৱৰ পৰিস্থিতি আৰু বিষয় সম্পৰ্কে পৰ্যালোচনা আগবঢ়োৱা।

৩। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) ভামহৰ দৃষ্টিত বক্ৰোক্তি মানে কি? বক্ৰোক্তিৰ প্ৰকাৰবোৰ উল্লেখ কৰি উদাহৰণসহ *যিকোনো তিনি* প্ৰকাৰৰ বক্ৰোক্তিৰ ব্যাখ্যা আগবঢ়োৱা।

(খ) অভিধা, লক্ষণা আৰু ব্যঞ্জনা কাক বোলে? প্ৰতিবিধৰে যথাযথ ব্যাখ্যাসহ এক বিস্তৃত নিৰন্ধ প্ৰস্তুত কৰা।

## 'খ' অংশ

## *(পাশ্চাত্য সমালোচনা)*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৩=৩

(ক) 'Lyrical Ballads'-ৰ প্ৰথম প্ৰকাশ কোন চনত হৈছিল?

*(i)* ১৭৭৮

*(ii)* ১৭৯৮

*(iii)* ১৮৮৯

*(iv)* ১৮৯৮

(খ) প্লেটোৰ গুৰুগৰাকীৰ নাম হ'ল—

*(i)* চক্রেটিছ

*(ii)* এৰিষ্ট'টল

*(iii)* আলেকজেণ্ডাৰ

*(iv)* হৰেছ

(গ) *The New Criticism* গ্ৰন্থখনৰ প্ৰণেতা হ'ল—

*(i)* এলিয়ট

*(ii)* ক'লৰিজ

*(iii)* বাইৰণ

*(iv)* জে. চি. ৰানচম

২। চমু উত্তৰ লিখা ঃ *(যিকোনো তিনিটা)* ৬×৩=১৮

(ক) অনুকৰণ কি? প্লেটো আৰু এৰিষ্ট'টলৰ অনুকৰণ সম্পৰ্কীয় ধাৰণাৰ তুলনা দাঙি ধৰা।

(খ) চমু টোকা লিখা ঃ কেমাৰচিচ

(গ) কল্পনাৰ সাহিত্যিক গুৰুত্ব সম্পৰ্কে ক'লৰিজৰ মতৰ ব্যাখ্যা আগবঢ়োৱা।

(ঘ) নতুন সমালোচনা সম্পৰ্কে এটি চমু টোকা লিখা।



৩। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) পাঠ্য ৰচনাৰ আধাৰত ধ্ৰুৱবাদী সমালোচনা আৰু ৰোমাণ্টিক সমালোচনাৰ এক তুলনাত্মক অধ্যয়ন প্ৰস্তুত কৰা।

(খ) এৰিষ্ট'টলৰ মতানুসৰি ট্ৰেজেডীৰ সংজ্ঞা, বিশেষত্বসহ ইয়াৰ বিভিন্ন উপাদানসমূহৰ ব্যাখ্যা আগবঢ়োৱা।

Paper : ASM103

***(Culture of Assam and North-East India)***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

১। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) সাংস্কৃতিক সমাহাৰণ

(খ) ৰাভা জনজাতি

(গ) দৌল উৎসৱ

(ঘ) জোনবিল মেলা

(ঙ) শীতলা পূজাৰ পৰম্পৰা

***তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ*** ১০×৩=৩০

২। "অসমীয়া সংস্কৃতিৰ সংমিশ্ৰণৰ সংস্কৃতি।"—বাক্যশাৰীৰ যথাৰ্থতা বিচাৰ কৰা।

৩। সাধুকথাৰ বিভিন্ন ভাগবোৰৰ পৰিচয়সহ অসমীয়া সাধুকথা সম্পৰ্কত এটি নিবন্ধ যুগুত কৰা।

৪। "নামঘৰ আৰু সত্ৰৰ স্থাপত্য-ভাস্কৰ্য" শীৰ্ষক এটি আলোচনা দাঙি ধৰা।



৫। অসমীয়া ভৌতিক সংস্কৃতিৰ পৰিচয়সহ ইয়াৰ সম্ভাৱনা আৰু প্ৰত্যাহ্বান বিচাৰ কৰা।

***তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা।***

৬। 'গোলকীকৰণ আৰু অসমীয়া সংস্কৃতি' শীৰ্ষক এটি বিশ্লেষণাত্মক প্ৰবন্ধ প্ৰস্তুত কৰা। ১৫

৭। পৰিৱেশ্য কলাৰ পৰিচয়সহ নামনি অসমত প্ৰচলিত *যিকোনো দুটা* পৰিৱেশ্য কলাৰ বিৱৰণ দাঙি ধৰা। ৫+৫+৫=১৫

৮। অসমীয়া লোকগীতত নাৰী প্ৰসংগৰ প্ৰতিফলন কিদৰে ঘটিছে নিদৰ্শনসহ ব্যাখ্যা কৰা। ১৫

———